# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-02-2026
**Time :** 1910 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ জৰিয়তে বিশ্বৰ নেতাসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত ভাৰতৰ সামৰ্থ্যৰ বিষয়ে উমান পোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মীৰাট মেট্ৰ' ৰেল আৰু নমো ভাৰত ৰেল সেৱাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে।

৩। ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন ২০২৬ত গ্ৰহণ কৰা কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ বিষয়ক নতুন দিল্লী ঘোষণাপত্ৰত ৮৯খন দেশ আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনে সমৰ্থন জনাইছে।

৪। জন্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত  দুজন উগ্ৰপন্থী নিহত হয়। ***আৰু***

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ জৰিয়তে বিশ্বৰ নেতাসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত ভাৰতৰ সামৰ্থ্যৰ বিষয়ে উমান পোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰি শ্ৰীমোদীয়ে এই শীৰ্ষ সন্মিলনখনক কৃত্ৰিম বুদ্ধিমত্তা বিষয়ৰ সৰ্ববৃহৎ সন্মিলন বুলি অভিহিত কৰি ইয়াৰ সফলতাৰ বাবে তেওঁ দেশৰ প্ৰতিগৰাকী নাগৰিকক অভিনন্দন জনায়। এই সময়খিনিতেই ভাৰতে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে প্ৰস্তুত কৰা তিনিটা মেড ইন ইণ্ডিয়া প্ৰকল্পৰ আৰ্হিও মুকলি কৰে। ভৱিষ্যতৰ পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তাৰ শক্তি কিদৰে প্ৰয়োগ কৰা হ'ব সেই বিষয়ত নীতি নিৰ্দ্ধাৰণৰ দিশত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন অতিশয় গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে মত প্ৰকাশ কৰি বিষয়টোক লৈ গৌৰৱ ব্যক্ত কৰে।

একেদৰে ভাৰতবৰ্ষৰ সংস্কৃতিয়ে সমগ্ৰ বিশ্বৰ নেতৃস্থানীয় লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় লৈ ভাৰতত প্ৰাচীন পুথি-পাঁজি, জ্ঞান আৰু হস্তলিপিসমূহ সংৰক্ষণ

কৰাৰ প্ৰক্ৰিয়াই সমাদৰ লাভ কৰিছে। এই বিষয়টোৰ উদাহৰণ হিচাপে সুশ্ৰুত সংহিতাৰ আৰ্হি প্ৰদৰ্শন কৰা হৈছিল বুলিও তেওঁ জানিবলৈ দিয়ে।

একোটা মহৎ কাৰ্যই অগণন লোকৰ জীৱন সলনি কৰিব পাৰে বুলি উল্লেখ কৰি  প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এনে কামৰ সৈতে জড়িত লোকসকলক ভূয়সী প্ৰশংসা কৰে। কাইলৈ ৰাষ্ট্ৰপতি ভৱনত উদযাপন কৰিবলগীয়া ৰাজাজী উৎসৱত স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গভৰ্ণৰ জেনেৰেল চি ৰাজাগোপালাচাৰীৰ এটা প্ৰতিমূৰ্তি মুকলি কৰা হ'ব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ৰাজাগোপালাচাৰীক ক্ষমতাৰ বাবে নহয়, সেৱাৰ মনোভাৱেৰে কাম কৰা ব্যক্তি বুলি প্ৰশংসা কৰে।

ডিজিটেল এৰেষ্ট সন্দৰ্ভত পূৰ্বে মন কী বাতত উল্লেখ কৰাৰ পিছৰ পৰা এই সন্দৰ্ভত সমাজত ভালেখিনি সজাগতা বৃদ্ধি পোৱা বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।  প্ৰধানমন্ত্ৰীয়ে ভুৱা ফোনকল, এছ এম এছ আৰু লিংকৰ বিষয়ে সজাগ হৈ থাকিবলৈ সকলোকে  আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক কে ৱাই চি, ৰি কে ৱাই চি কেৱল বেংকৰ শাখা, অফিচিয়েল এপ' আৰু দায়িত্বৱাহীসকলকহে প্ৰদান কৰিবলৈ কয়। তেওঁ অ টি পি, আধাৰ নম্বৰ বা বেংকৰ সবিশেষ যিকোনো লোককে প্ৰদান নকৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰীয়ে লগতে দেশৰ কৃষকসকলক প্ৰশংসা কৰি কয়, যে কৃষকসকলে এতিয়া কেৱল উৎপাদনতে মনোনিৱেশ কৰা নাই লগতে উৎপাদিত সামগ্ৰীৰ মান, মূল্যাংকন আৰু নতুন বজাৰতো গুৰুত্ব আৰোপ কৰিছে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে পৱিত্ৰ ৰমজান মাহ আৰু হোলী উপলক্ষে  সকলোকে শুভকামনা জনোৱাৰ লগতে জনসাধাৰণে পৰিয়ালৰ লোকৰ সৈতে আনন্দৰে এই উৎসৱ পালন কৰিব বুলিও আশা প্ৰকাশ কৰে।

০০০০

উত্তৰ প্ৰদেশৰ মীৰাটৰ শতাব্দি নগৰ নমো ভাৰত ষ্টেচনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মীৰাট মেট্ৰ' আৰু নমো ভাৰত ৰে'লৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। শ্ৰীমোদীয়ে মীৰাট চাউথ ষ্টেচনলৈকে মেট্ৰ' ৰেল যোগে যাত্ৰা কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ ৮২ কিলোমিটাৰ দিল্লী- মীৰাট নমো ভাৰত কৰিডৰ ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰে। তেওঁ ভাৰতৰ প্ৰথম নমো ভাৰত আঞ্চলিক ৰেপিড ট্ৰেনজিট চিষ্টেম (আৰ আৰ টি এছ)ৰ বাকী অংশসমূহ উদ্বোধন কৰে। ইয়াৰ ভিতৰত আছে দিল্লীৰ চৰাই কালে খান আৰু নিউ অশোক নগৰৰ মাজৰ ৫ কিলোমিটাৰ অংশ আৰু উত্তৰ প্ৰদেশৰ মীৰাট দক্ষিণ আৰু মোডীপুৰমৰ মাজৰ ২১ কিলোমিটাৰ অংশ।

প্ৰতি ঘণ্টাত ১৮০ কিলোমিটাৰ বেগেৰে যাত্ৰা কৰা নমো ভাৰত হৈছে ভাৰতৰ প্ৰথম আঞ্চলিক ৰেপিড ট্ৰেনজিট ব্যৱস্থা। ইয়াৰ দ্বাৰা চাহিবাবাদ, গাজিয়াবাদ, মডিনগৰ আৰু

মীৰাটৰ দৰে প্ৰধান নগৰ কেন্দ্ৰসমূহক দিল্লীৰ সৈতে অধিক দ্ৰুত গতিত সংযোগ কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে নমো ভাৰতৰ দৰে একে আন্তঃগাঁথনিৰে কাম কৰা মীৰাট দক্ষিণ আৰু মোদীপুৰমৰ মাজত মীৰাট মেট্ৰ' সেৱাও ফ্লেগ অফ কৰে। মীৰাট মেট্ৰ' হৈছে ভাৰতৰ আটাইতকৈ দ্ৰুততম মেট্ৰ' ব্যৱস্থা যাৰ সৰ্বোচ্চ কাৰ্যক্ষম গতি প্ৰতি ঘণ্টাত প্ৰায় ১২০ কিলোমিটাৰ। ই মাত্ৰ ৩০ মিনিটত সমগ্ৰ এলেকা সামৰি লয়।

০০০০

ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন ২০২৬ত গ্ৰহণ কৰা কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ বিষয়ক নতুন দিল্লী ঘোষণাপত্ৰত ৮৯খন দেশ আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনে সমৰ্থন জনাইছে। ই কৃত্ৰিম বুদ্ধিমত্তাক অৰ্থনৈতিক বিকাশ আৰু সমাজ কল্যাণৰ অৰ্থে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বব্যাপী  সহমতক প্ৰতিফলিত কৰিছে। এই ঘোষণাপত্ৰক সমৰ্থন জনোৱা দেশসমূহৰ ভিতৰত অষ্ট্ৰেলিয়া, ফ্ৰান্স, জাৰ্মানী, ছুইজাৰলেণ্ড, ব্ৰাজিল, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ, কানাডা, ইজৰাইল, ব্ৰিটেইন, চীন, জাপান, আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া, ছৌদি আৰব, ছিংগাপুৰ আৰু বাংলাদেশো আছে। যোৱা শুকুৰবাৰে নতুন দিল্লীত সামৰণি পৰা এই শীৰ্ষ সন্মিলনত সমগ্ৰ বিশ্বৰ ব্যাপক অংশগ্ৰহণ পৰিলক্ষিত হয়। সৰ্বজন হিতায়, সৰ্বজন সুখায় নীতিৰ দ্বাৰা পৰিচালিত এই ঘোষণাপত্ৰই কৃত্ৰিম বুদ্ধিমত্তাৰ সুবিধাসমূহ সমগ্ৰ মানৱজাতিয়ে যাতে লাভ কৰিব পাৰে এই বিষয়ত গুৰুত্ব আৰোপ কৰিছে।

০০০০০

জন্মু-কাশ্মীৰৰ কিস্তুৱাৰ জিলাৰ ভিতৰুৱা অঞ্চলত এটাত আজি ট্ৰাচী-ৰান অভিযানৰ সময়ত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত  দুজন উগ্ৰপন্থী নিহত হয়। বিশেষ সূত্ৰৰ পৰা ছাত্ৰো অঞ্চলৰ পাচেৰ কোট অঞ্চলত সন্ত্ৰাসবাদী সংগঠন জেইছ-ই মহম্মদৰ দুজন পাকিস্তানী সন্ত্ৰাসবাদী থকাৰ খবৰ পোৱাৰ পাছত আজি পুৱা অঞ্চলটোত সেনা, জন্মু-কাশ্মীৰ আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে যুটীয়া অভিযান চলায়। পাহাৰৰ পাদদেশত এটা মাটিৰ ঘৰত লুকাই থকা সন্ত্ৰাসবাদী দুজনে সুৰক্ষা বাহিনীক লক্ষ্য কৰি গুলীচালনা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত সেনাৰ হোৱাইট নাইট ক'ৰে প্ৰকাশ কৰা মতে অভিযানৰ সময়ত সন্ত্ৰাসবাদী দুজন নিহত হোৱাৰ লগতে দুটা এ কে ৪৭ ৰাইফলকে ধৰি বহু আপত্তিজনক সামগ্ৰী জব্দ কৰা হয়।

০০০০

নতুন দিল্লীত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন আৰু প্ৰদৰ্শনীয়ে নীতি নিৰ্ধাৰণকাৰী উদ্যোগিক নেতা, উদ্ভাৱক আৰু ষ্টাৰ্ট আপসমূহক আলোচনাৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা চালিত সমাধানসমূহ প্ৰদৰ্শন কৰাৰ সমন্বিত মঞ্চ প্ৰদান কৰিলে। কালি সামৰণি পৰা এই অনুষ্ঠানত ৫০০ৰো অধিক কৃত্ৰিম বুদ্ধিমত্তা

বিষয়ক বিশেষজ্ঞ, ১০০ৰো অধিক প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া, ১৫০গৰাকী শিক্ষাবিদ আৰু গৱেষকৰ লগতে প্ৰায় ৪০০ গৰাকী মুখ্য প্ৰযুক্তি বিষয়াই অংশগ্ৰহণ কৰে। এই সন্মিলন আৰু প্ৰদৰ্শনীয়ে জনসাধাৰণৰ অভূতপূৰ্ব সহাঁৰি লাভ কৰাৰ লগতে ৫ লাখৰো অধিক লোকৰ ইয়াত সমাগম ঘটে। আকাশবাণীৰ সৈতে হোৱা কথাবতৰাত পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ পৰামৰ্শ দাতা সোনাক্ষী ৰাৰ্চনীয়ে কয় যে এই শীৰ্ষ সন্মিলনে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনৰ উদ্ভাৱক আৰু অংশীদাৰসকলক একত্ৰিত কৰে। তেওঁ লগতে কয় যে এই শীৰ্ষ সন্মিলনে দেশৰ পঞ্চায়তীৰাজ অনুষ্ঠানসমূহক সহায় কৰা কৃত্ৰিম বুদ্ধিমত্তা চালিত পদক্ষেপসমূহ প্ৰদৰ্শন কৰাৰ সুবিধা প্ৰদান কৰে। ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান ৰোপাৰৰ সঞ্চালক অধ্যাপক ৰাজীৱ আহুজাই কয় যে ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন এনে ধৰণৰ প্ৰথম অনুষ্ঠান যি দেশৰ যুৱ প্ৰজন্মৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। তেওঁ লগতে কয় যে এই শীৰ্ষ সন্মিলনে কৃত্ৰিম বুদ্ধিমত্তাক কিদৰে কৃষি খণ্ডত প্ৰয়োগ কৰি লাভৱান হোৱাৰ লগতে ভাৰতীয় কৃষকসকল উপকৃত হ'ব সেই বিষয়ে আলোচনা কৰাৰ এখন মঞ্চ প্ৰদান কৰে।

০০০০০০

দিল্লী আৰক্ষীয়ে বাংলাদেশৰ পৰা চলি থকা পাকিস্তানস্থিত সংগঠন লস্কৰ-ই-তৈয়বাৰ সৈতে জড়িত বুলি অভিযোগ উত্থাপন কৰা সন্ত্ৰাসবাদী মডিউল এটা উৎখাত কৰিছে। আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত অতিৰিক্ত আৰক্ষী আয়ুক্ত প্ৰমোদ কুমাৰ কুশৱাহাই কয় যে, সমগ্ৰ কলকাতা আৰু তামিলনাডুত সমন্বিত অভিযানত আঠজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁ কয়, ইয়াৰ ভিতৰত ৭জন বাংলাদেশী নাগৰিক আৰু এজন ভাৰতীয় নাগৰিকক পশ্চিম বংগৰ স্থানীয় ব্যক্তি বুলি এজন ভাৰতীয় নাগৰিকক চিনাক্ত কৰা হৈছে।

দিল্লী আৰক্ষীয়ে উল্লেখ কৰিছে যে চলিত মাহৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় ৰাজধানীৰ কাশ্মীৰী গেট মেট্ৰ' ষ্টেচনত উদ্ধাৰ হোৱা ৰাষ্ট্ৰ বিৰোধী পোষ্টাৰৰ পাছত এই তদন্ত আৰম্ভ হৈছিল। পৰৱৰ্তী সময়ত কলকাতাতো একেধৰণৰ আৰ্হি লক্ষ্য কৰা হৈছিল। আৰক্ষীয়ে আৰু দাবী কৰে যে অভিযুক্তই কলকাতাত এটা আত্মগোপন স্থান ভাড়াত লৈছিল আৰু অস্ত্ৰ-শস্ত্ৰ ক্ৰয়ৰ পৰিকল্পনা আছিল। এই সন্দৰ্ভত বহু কেইটা সংস্থাৰ তদন্ত চলি আছে।

০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত

খেলখনত  টছত জিকি দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে .... অভাৰত ... ৰান কৰি খেলি আছে।

উল্লেখযোগ্য যে ভাৰতে লীগ পৰ্যায়ত চাৰিওখন খেলৰ আটাইকেইখনতে জয় লাভ কৰি নিজৰ গ্ৰুপৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে।

ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত আজি ইংলেণ্ডে শ্ৰীলংকাক ৫১ ৰানত পৰাস্ত কৰে। ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৬ অভাৰ আৰু ৪টা বলতে আটাইকেইটা উইকেট হেৰুৱাই কেৱল ৯৫ ৰানহে কৰিবলৈ সমৰ্থ হয়।

উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত ভাৰত, জিম্বাব্ৱে, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক গ্ৰুপ ৱানত অন্তৰ্ভুক্ত কৰা হৈছে। পাকিস্তান, শ্ৰীলংকা, ইংলেণ্ড আৰু নিউজিলেণ্ডক গ্ৰুপ টুত স্থান দিয়া হৈছে।

০০০০

সমাপ্ত